# অধ্যায় ৭ ঃ ভাৰতীয় উদ্যোগ ঃ উন্নয়নমূলক পৰিক্ৰমা

**অধ্যায় গাঁথনি**


7.1 উদ্দেশ্য

7.2 পৰিচয়

7.3 ভাৰতৰ ঔদ্যোগিক বিকাশৰ কৌশল

7.4 স্বাধীনতাৰ পাছৰ সময়ছোৱাৰ ঔদ্যোগিক বিকাশ আৰু ঔদ্যোগিক উৎপাদনৰ ধৰণ

7.4.1 স্বাধীনতাৰ পাছৰ সময়ছোৱাত ঔদ্যোগিক বিকাশ

7.4.2 স্বাধীনতাৰ পাছৰ সময়ছোৱাত ঔদ্যোগিক উৎপাদনৰ ধাৰা

7.5 ভাৰতত ঔদ্যোগিকৰণৰ সমস্যা

7.6 ঔদ্যোগিক নীতিৰ প্ৰস্তাৱ, 1956

7.7 1991 চনৰ পূৰ্বৱৰ্তী ঔদ্যোগিক অনুজ্ঞা-পত্ৰ নীতিসমূহ

7.8 নতুন ঔদ্যোগিক নীতি, 1991

7.9 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

7.10 অধিক জানিবলৈ

7.11 অগ্ৰগতিৰ খতিয়ান

7.12 আৰ্হিপ্ৰশ্ন


## ৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰতৰ ঔদ্যোগিক বিকাশৰ কৰ্মনীতি সম্পৰ্কে আলোচনা কৰিব পাৰিব,
- ঔদ্যোগিক বিকাশৰ মান আৰু ইয়াৰ ধাৰা সম্পৰ্কে আলোচনা কৰিব পাৰিব,
- ভাৰতীয় উদ্যোগসমূহে সন্মুখীন হোৱা সমস্যাবিলাক উল্লেখ কৰিব পাৰিব,
- 1956 চনৰ ঔদ্যোগিক নীতিৰ প্ৰস্তাৱৰ প্ৰধান দিশবোৰ ব্যাখ্যা কৰিব পাৰিব,আৰু
- 1991 চনৰ নতুন ঔদ্যোগিক নীতিৰ বিভিন্ন দিশসমূহ ব্যাখ্যা কৰিব পাৰিব।

## ৭.২ পৰিচয়

ভাৰতে ইয়াৰ স্বাধীনতাৰ পাছৰে পৰা উল্লেখযোগ্য অৰ্থনৈতিক অগ্ৰগতি সাধন কৰিছে। এইবিলাকৰ ভিতৰত আটাইতকৈ লক্ষ্যণীয় অগ্ৰগতিটো হ'ল উদ্যোগ আৰু কৃষি দুয়োটা খণ্ডৰ সম্প্ৰসাৰণ আৰু বৈচিত্ৰ্যকৰণ। বহু উদ্যোগত নতুন প্ৰযুক্তি প্ৰয়োগ কৰা হ'ল। বহুসংখ্যক নতুন উদ্যোগত বৃহৎ পৰিমাণত বিনিয়োগ কৰা হ'ল। পৰিচালনাৰ আধুনিক কৌশল অৱলম্বন কৰা হৈছে। বিগত বছৰবিলাকত উদ্যোগৰ বাবে প্ৰয়োজন হোৱা আন্তঃগাঁথনি নিৰ্মাণ কৰাৰ লগতে

বিদ্যুৎ, যোগাযোগ, পথ ইত্যাদিৰ বাবে প্ৰয়োজন হোৱা বৃহৎ পৰিমাণৰ বিনিয়োগ চৰকাৰে কৰিছে। অৱশ্যে, সময়ৰ পৰিৱৰ্তনৰ লগে লগে ভাৰতৰ অৰ্থনীতি ৰাজহুৱা খণ্ডৰ নিয়ন্ত্ৰণৰ পৰা এক উদাৰনৈতিক অৰ্থনীতিলৈ পৰিৱৰ্তিত হ'ল। বৰ্তমানৰ গোলকীয় অৰ্থনীতিৰ পৰিৱৰ্তিত পৰিস্থিতিত ব্যক্তিগত খণ্ডই প্ৰধান ভূমিকা পালন কৰিছে। এই অধ্যায়টিৰ জৰিয়তে ভাৰতৰ ঔদ্যোগিক খণ্ড আৰু বিগত বছৰবিলাকত ইয়াত হোৱা গুৰুত্বপূৰ্ণ পৰিৱৰ্তনবিলাকৰ সৈতে আপোনালোকক পৰিচয় কৰাই দিয়া হ'ব।

## ৭.৩ ভাৰতৰ ঔদ্যোগিক বিকাশৰ কৌশল

বৃটিছে ভাৰতৰ উদ্যোগ খণ্ডটোক এক অত্যন্ত হতাশজনক পৰিস্থিতিত এৰি থৈ গ'ল। এহাতে ই ভাৰতৰ পৰম্পৰাগত হস্ততাঁত আৰু হস্তশিল্প উদ্যোগটো ধ্বংস কৰি পেলালে আৰু আনহাতে দেশখনৰ উপভোক্তাসমূহক যন্ত্ৰৰ দ্বাৰা প্ৰস্তুত কৰা সামগ্ৰীৰ ওপৰত নিৰ্ভৰশীল কৰি তুলিলে। এনেকৈয়ে, ভাৰতৰ অৰ্থনৈতিক বিকাশৰ বাবে ঔদ্যোগিকৰণৰ জৰিয়তে আধুনিকীকৰণৰ প্ৰক্ৰিয়া আৰম্ভ হয়। স্বাধীনতাৰ পৰৱৰ্তী কালছোৱাত ভাৰতীয় পৰিকল্পনাকাৰীসকলে গ্ৰহণ কৰা উন্নয়নৰ কৌশলবিলাক তলত উল্লেখ কৰা হ'ল—

- **চৰকাৰী প্ৰচেষ্টাৰে ঔদ্যোগিক আন্তঃগাঁথনি প্ৰতিষ্ঠা ঃ** ভাৰতৰ আন্তঃগাঁথনিৰ বিকাশৰ কামত বেচৰকাৰী খণ্ডই চলোৱা প্ৰচেষ্টা পৰ্যাপ্ত নাছিল। এই কথাৰ প্ৰতি লক্ষ্য কৰি দেশৰ ঔদ্যোগিক আন্তঃগাঁথনি নিৰ্মাণৰ কামত চৰকাৰী খণ্ড জড়িত হৈ পৰে। আনকি ৰাজহুৱা খণ্ডৰ স্বাৰ্থত আন্তঃগাঁথনিৰ বহিৰ্ভূত বিভিন্ন খণ্ড; যেনে— তীখা, ৰাসায়নিক দ্ৰব্য বা যন্ত্ৰৰ আহিলা পাতি আদি ক্ষেত্ৰসমূহতো চৰকাৰে পোনপতীয়া অংশগ্ৰহণ কৰিছিল। এনেকৈ দেশৰ অৰ্থনীতিক এক উন্নত স্তৰলৈ লৈ যাবৰ বাবে চৰকাৰে যৎপৰোনাস্তি তৎপৰতা চলায়।
- **উদ্যোগৰ সম্প্ৰসাৰণ আৰু আধুনিকীকৰণ ঃ** ঔদ্যোগিক বিকাশৰ গতি খৰতকীয়া কৰিবলৈ আৰু উৎপাদন ক্ষমতা বৃদ্ধি কৰিবলৈ ভাৰতৰ ইন্ধনৰ প্ৰাথমিক উৎস কয়লাৰ উৎপাদন প্ৰক্ৰিয়া আধুনিক কৰিবলগীয়া হয়। দৰাচলতে, উদ্যেগীকৰণ কাৰ্যসূচী অব্যাহত ৰাখিবলৈ সকলো উদ্যোগ আৰু বিভিন্ন গুৰুত্বপূৰ্ণ খণ্ডৰ প্ৰতিষ্ঠানবিলাকে নেতৃত্ব বহনকাৰী ভূমিকা পালন কৰিবলগীয়া হয়।
- **গধুৰ উদ্যোগ প্ৰতিষ্ঠা (Establishment of Heavy Industries) ঃ** ভাৰতৰ অৰ্থনৈতিক পৰিকল্পনাৰ আৰম্ভণিৰ পৰা যন্ত্ৰপাতি নিৰ্মাণৰ উদ্যোগকে ধৰি অভিযান্ত্ৰিক উদ্যোগসমূহে দেশৰ উন্নয়নৰ প্ৰক্ৰিয়াত অগ্ৰণী ভূমিকা পালন কৰি আহিছে। এক শক্তিশালী, কৰ্মক্ষম আৰু অৰ্থনৈতিক বিকাশ সাধন কৰিব পৰা অভিযান্ত্ৰিক খণ্ড অবিহনে বিস্তৃত ঔদ্যোগিক গাঁথনি বৰ্তি থাকিব নোৱাৰে। ইয়াৰ লগে লগে থলুৱা উৎপাদনী প্ৰক্ৰিয়াক বিকশিত কৰিবলৈ আৰু আমদানিকৃত প্ৰযুক্তিৰ ওপৰত থকা নিৰ্ভৰশীলতা হ্ৰাস কৰিবলৈ দেশীয় অভিযান্ত্ৰিক উদ্যোগক উৎসাহিত কৰা হয়। এই প্ৰক্ৰিয়াটোৰমূল যুক্তি আছিল এয়ে যে প্ৰযুক্তিগত দক্ষতা বৃদ্ধি হ'লেহে উৎপাদনৰ স্তৰ উচ্চ পৰ্যায়লৈ যাব আৰু তেতিয়াহে উপাৰ্জনৰ স্তৰো ঊৰ্ধ্বমুখী

হ'ব। সেয়ে অর্থনীতিৰ সামগ্রিক বিকাশৰ বাবে অভিযান্ত্রিক উদ্যোগক অধিক কর্মক্ষম কৰি তোলা হয়।

- **আমদানিৰ বিকল্পীকৰণ (Import Substitution) ঃ** উদ্যোগিক কর্মনীতিৰ আন এটা দিশ হ'ল আমদানিৰ নীতিৰ পৰিৱর্তন সাধন। একেবাৰে আৰম্ভণিৰে পৰা বিদেশী মুদ্রাৰ নাটনিয়ে উন্নয়নমূলক প্রচেষ্টাত বাধা হৈ থিয় দিব বুলি আগতীয়াকৈ অনুমান কৰা হৈছিল। সেয়ে আমদানিৰ প্রয়োজনীয়তা হ্রাস কৰিবলৈ আৰু বিদেশী মুদ্রা আহৰণৰ ব্যৱস্থা উন্নত কৰিবলৈ সিদ্ধান্ত লোৱা হয়। আমদানিৰ নীতি সলনি কৰিবলৈ আৰু অর্থনৈতিক উন্নয়নৰ বাবে বিদেশী মুদ্রা সঞ্চয় কৰিবলৈ যাৱতীয় পদক্ষেপ গ্রহণ কৰা হয়।
- **বিজ্ঞান আৰু প্রযুক্তিৰ ওপৰত গুৰুত্ব আৰোপ ঃ** বিজ্ঞান আৰু প্রযুক্তিৰ ক্ষেত্রত উল্লেখ-যোগ্য অগ্রগতি সাধন কৰা হয়। ভাৰতীয় বিজ্ঞানী আৰু প্রযুক্তিবিদসকলে দেশৰ পাৰমাণৱিক শক্তিৰ বিকাশ সাধন আৰু যোগাযোগৰ বাবে মহাকাশ প্রযুক্তিৰ প্রয়োগ তথা সম্পদৰ বিকাশৰ ক্ষেত্রত অগ্রগতি সাধন কৰে। প্রযুক্তিৰ ক্ষেত্রত এদল কর্মঠ মানৱ শক্তি গঢ়ি তুলিবলৈ দেশ সক্ষম হয়। দেশৰ মানৱ শক্তিয়ে বৃহৎ পৰিসৰৰ চিমেণ্টৰ কাৰখানা, ৰাসায়নিক সাৰৰ কাৰখানা, তেল শোধনাগাৰ, বিদ্যুৎ কেন্দ্র, তীখা প্রকল্প, যান-বাহন নির্মাণৰ কাৰখানা, অভিযান্ত্রিক উদ্যোগ ইত্যাদি চলাব পৰা হ'ল। অৱশ্যে, ক্ষুদ্র আৰু কুটীৰ শিল্প আৰু অন্যান্য গ্রাম্য কার্যকলাপৰ ক্ষেত্রত যাৱতীয় গৱেষণা কৰা নহ'ল আৰু এইবিলাকৰ উন্নয়নৰ বাবে প্রয়োজনীয় ব্যৱস্থা গ্রহণ কৰা নহ'ল।
- **কৃষি আৰু সেৱা খণ্ডৰ ওপৰত গুৰুত্ব আৰোপ ঃ** জলসিঞ্চনৰ এক ব্যৱস্থাপনা, পানীৰ সংৰক্ষণ আৰু জলাধাৰ নির্মাণৰ কাম, জলবিদ্যুৎ উৎপাদন, বিদ্যুৎচালিত আৰু ডিজেল চালিত ৰে'লৰ এটা বিস্তাৰিত ব্যৱস্থাপনা, ৰাষ্ট্রীয় আৰু ৰাজ্যিক ঘাইপথ নির্মাণ, বিভিন্ন নগৰ-চহৰ আৰু পৃথিৱীৰ অন্য ঠাইৰ সৈতে ভাৰতক সংযোগ কৰি বিভিন্ন ধৰণৰ দূৰ সংযোগ প্রক্রিয়া স্থাপন কৰাকে ধৰি এক বৃহৎ আন্তঃগাঁথনি প্রস্তুত কৰা হয়। তদুপৰি একাধিক দক্ষতাসম্পন্ন শোধনাগাৰ, পাইপলাইন, গুদাম ঘৰ আৰু বিতৰণ ব্যৱস্থা গঢ়ি তোলা হয়। আধুনিক উদ্যোগৰ লগতে কৃষি খণ্ডৰ সম্প্রসাৰণৰ লগে লগে বেংক সেৱা, বীমা, বাণিজ্যিক কেন্দ্র আদিৰ সম্প্রসাৰণ কৰা হয় আৰু বিমান বন্দৰ, জাহাজ ঘাট আৰু আভ্যন্তৰীণ তথা আন্তর্জাতিক বিমান সেৱাৰ আধুনিকীকৰণ কৰা হয়।



**অগ্রগতি নিৰীক্ষণ**

**প্রশ্ন ১ ঃ** শুদ্ধ নে অশুদ্ধ বিচাৰ কৰক।

(ক) বৃটিছে ভাৰতৰ থলুৱা উদ্যোগৰ উন্নতিৰ বাবে বিভিন্ন পদক্ষেপ গ্রহণ কৰিছিল। (শুদ্ধ/অশুদ্ধ)

(খ) বেচৰকাৰী খণ্ডৰ সহায়ত গধুৰ উদ্যোগ প্রতিষ্ঠা কৰাটো হৈছে চৰকাৰৰ অন্যতম কর্মনীতি। (শুদ্ধ/অশুদ্ধ)

**প্ৰশ্ন ২ ঃ** আমদানি বিকল্পীকৰণ নীতিয়ে ভাৰতক কেনেদৰে সহায় কৰিছিল? (50 টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

## ৭.৪ স্বাধীনতাৰ পাছৰ সময়ছোৱাৰ ঔদ্যোগিক বিকাশ আৰু ঔদ্যোগিক উৎপাদনৰ ধাৰা

তলৰ অনুচ্ছেদত আমি স্বাধীনতাৰ পাছৰ সময়ছোৱাত ভাৰতীয় উদ্যোগৰ বিকাশ আৰু ইয়াৰ উৎপাদনৰ ধাৰা সম্পৰ্কে আলোচনা কৰিম।

### ৭.৪.১ স্বাধীনতাৰ পাছৰ সময়ছোৱাত ঔদ্যোগিক বিকাশ

আপোনালোকে ইতিমধ্যে জানিব পাৰিলে যে স্বাধীনতাৰ পাছৰ সময়ছোৱাত ভাৰতে অৰ্থনৈতিক পৰিকল্পনাৰ সহায়ত বিভিন্নধৰণৰ উদ্যোগৰ বিকাশ সাধন কৰিবলৈ আৰম্ভ কৰে। ঔদ্যোগিক উৎপাদনৰ সূচী (ভিত্তিবৰ্ষ 1980–81 Ô 100] 1950–51ত আছিল 18.3 আৰু 1970–71ত 65.3লৈ বৃদ্ধি পায়। পৰিকল্পনাৰ 20টা বছৰত দেশত কিছুমান প্ৰাথমিক আৰু গধুৰ উদ্যোগৰ বিকাশ সাধন কৰা হয়। উদ্যোগৰ সম্প্ৰসাৰণৰ ফলত ঔদ্যোগিক উৎপাদনৰ সূচী 1980–81ত আছিল 100 আৰু 1989–90ত 196.4 লৈ বৃদ্ধি পায় তাৰ পাছত 1999–2000ত হয়গৈ 144.9 আৰু তাৰ পাচত 2005–06ত 221.5লৈ বৃদ্ধি পায় (উৎস অৰ্থনৈতিক সমীক্ষা, 1992–93, 1997–98 আৰু 2006–07]। শেহতীয়া বছৰবোৰত (ভিত্তি বছৰ ঃ ২০১১-১২=১০০) ঔদ্যোগিক উৎপাদনৰ সূচকাংক (IIP) ২০১৬-১৭ চনত ১০৪.৬, ২০১৭-১৮ চনত ১০৪.৪ আৰু ২০১৮-১৯ চনত ১০৩.৮ লৈ হ্ৰাস পাইছে। তদুপৰি, ২০১৯-২০ চনত IIP ১২৯ লৈ বৃদ্ধি পাইছিল যদিও ২০২০-২১ চনত ১১৮.১ লৈ হ্ৰাস পাইছিল। ২০২১-২২ চনত IIP আৰু বৃদ্ধি পাই ১৩১.৬ লৈছিল (উৎসঃ CSO, MOSPI)

ঔদ্যোগিক নীতিৰ প্ৰস্তাৱ, 1956 (Industrial Policy Resolution of 1956)ৰ অধীনত এক সতৰ্ক আৰু উদাৰনৈতিক নীতি হিচাপে ঔদ্যোগিকৰণ প্ৰক্ৰিয়া আৰম্ভ কৰা হয় আৰু উদ্যোগৰ কৰ্মক্ষমতা গঢ়ি তুলিবলৈ ব্যাপক বিনিয়োগ কৰা হয়। ইয়াৰ পৰিণতিত বিগত 60 বছৰত দেশখনৰ ঔদ্যোগিক উৎপাদন পাঁচ গুণতকৈ অধিক বৃদ্ধি পায় আৰু ভাৰতে পৃথিৱীৰ ভিতৰতে সৰ্বাধিক ঔদ্যোগিক ৰাষ্ট্ৰ হিচাপে দশম স্থান

অধিকাৰ কৰে।

দেশৰ ঔদ্যোগিক গাঁথনি বিস্তৃতভাৱে বৈচিত্ৰকৰণ কৰি সকলো স্তৰৰে উপভোক্তা, মধ্যস্থতাকাৰী আৰু মূলধনী সামগ্ৰীক সামৰি লোৱা হয়। ৰাজহুৱা খণ্ডৰ উদ্যোগ প্ৰতিষ্ঠানৰ সম্প্ৰসাৰণৰ লগে লগে যৌথ খণ্ডৰ প্ৰতিষ্ঠান আৰু পাছৰ সময়ছোৱাত বেচৰকাৰী খণ্ডৰ প্ৰতিষ্ঠান, বিভিন্ন ধৰণৰ উদ্যোগে দেশত বিকাশ লাভ কৰে। ৰাজহুৱা খণ্ডৰ উদ্যোগত উৎপাদিত সামগ্ৰী; যেনে— কয়লা, তীখা, লঘু আৰু গধুৰ অভিযান্ত্ৰিক সামগ্ৰী, বিদ্যুৎ, পেট্ৰ'লজাত সামগ্ৰী, খনিজ আৰু লৌহ সামগ্ৰী, সাৰ, ৰাসায়নিক আৰু ঔষধি সামগ্ৰী, বস্ত্ৰ, পৰিবহণ সামগ্ৰী, নিৰ্মাণ সামগ্ৰী, গেছ ইত্যাদি উৎপাদন কৰা হয়।

বেচৰকাৰী খণ্ডৰ কোম্পানীবিলাকে বস্ত্ৰ, ধাতুৰ সামগ্ৰী, ৰাসায়নিক সামগ্ৰী নিৰ্মাণ সামগ্ৰী, বৈদ্যুতিক সামগ্ৰী, ছামৰাৰ সামগ্ৰী, খাদ্য সামগ্ৰী, কৃষিভিত্তিক সামগ্ৰী আদি প্ৰস্তুত কৰে।

ঔদ্যোগিক ক্ষেত্ৰখনত ভাৰতে লাভ কৰা অগ্ৰগতি প্ৰতিফলিত হয় দেশখনৰ বিদেশী বাণিজ্যৰ বাবে প্ৰস্তুত কৰা পণ্য সামগ্ৰীৰ ক্ষেত্ৰত। ইয়াৰ লগে লগে বিদেশত প্ৰস্তুত কৰা সামগ্ৰীৰ আমদানি ক্ৰমান্বয়ে হ্ৰাস পায়। আনহাতে, বিভিন্ন ধৰণৰ ঔদ্যোগিক সামগ্ৰী বিশেষকৈ ভাৰতৰ অভিযান্ত্ৰিক সামগ্ৰীৰ ৰপ্তানী বৃদ্ধি পায়। ঔদ্যোগিকৰণৰ দ্ৰুত বিকাশৰ লগে লগে অত্যাধুনিক উদ্যোগসমূহৰ পৰিচালনাৰ বাবে আৰু এইবিলাকৰ পৰিকল্পনা, আৰ্হি প্ৰস্তুত আৰু এনে উদ্যোগৰ নিৰ্মাণৰ বাবে প্ৰযুক্তিগত আৰু পৰিচালন সম্পৰ্কীয় দক্ষতাও বৃদ্ধি পায়।

### ৭.৪.২ স্বাধীনতাৰ পাছৰ সময়ছোৱাত ঔদ্যোগিক উৎপাদনৰ ধাৰা

1951 চনৰ পাছৰ পৰা ঔদ্যোগিক বিকাশ একেধৰণৰ হৈ থকা নাই। প্ৰথম 14 বছৰত (1951ৰ পৰা 1965লৈ) 8íৰ এক স্থিৰ বৃদ্ধিৰ পাছত, এই বৃদ্ধিৰ তাৰতম্য হ'বলৈ ধৰে। 1967–68ৰ সময়ছোৱাত ঔদ্যোগিক বৃদ্ধি প্ৰায় স্থিৰ আছিল। 1976–77ত এই পৰিমাণ আছিল 9.5í কিন্তু 1979–80ত হ্যগৈ 1.4í¼ 1980–85ৰ সময়ছোৱাত ঔদ্যোগিক উৎপাদনৰ বৃদ্ধিৰ হাৰ আছিল বছৰি 5.5í¼ সপ্তম পৰিকল্পনাৰ সময়ছোৱাত (1985–90), এই বৃদ্ধিৰ হাৰ বছৰি গড়ে 8í আছিল আৰু অষ্টম পৰিকল্পনাৰ সময়ছোৱাত (1992–1997) এইপৰিমাণ কমি গৈ হয় বছৰি 7.3í। নৱম পৰিকল্পনাৰ সময়ছোৱাত (1997–2002) ঔদ্যোগিক বৃদ্ধি বছৰি 4.6íলৈ অৱনমিত হয় কিন্তু দশম পৰিকল্পনাৰ সময়ছোৱাত (2002–2007) ই আকৌ বছৰি প্ৰায় 9.1íলৈ বৃদ্ধি পায়।

1950–51ৰ পৰা 2013–14 লৈ বিভিন্ন ধৰণৰ উদ্যোগত হোৱা ঔদ্যোগিক উৎপাদনৰ বৃদ্ধিৰ ছবিখন তলৰ তালিকাখনলৈ মন কৰিলেই বুজিব পাৰিব।

**তালিকা নং ৭.১ ঃ বিগত বছৰবিলাকত কেতবোৰ নিৰ্বাচিত পণ্যৰ ঔদ্যোগিক উৎপাদনৰ বৃদ্ধি**

| ক্ৰ.নং. | পণ্য আৰু একক | ১৯৫০-৫১ | ১৯৭০-৭১ | ২০০৫-০৬ | ২০১৩-১৪ |
|---|---|---|---|---|---|
| 1 | কাপোৰ (নিযুত মিটাৰ হিচাপত) | 4,215 | 7,602 | 23,873 | 63,500 |
| 2 | সাৰ (নিযুত টন হিচাপত) | 9 | 830 | 11,402 | 16,092 |
| 3 | চিমেণ্ট (নিযুত টন হিচাপত) | 2.7 | 14.3 | 147.8 | 255.00 |
| 4 | ব্যৱহাৰৰ উপযোগী তীখা (নিযুত টন হিচাপত) | 1.0 | 4.6 | 44.5 | 87.7 |
| 5 | বিদ্যুৎ (শ কোটি কিল'ৱাট ঘণ্টা) | 5.1 | 55.8 | 617.0 | 967.2 |
| 6 | এলুমিনিয়াম (হাজাৰ টন হিচাপত) | 4.0 | 168.8 | 560.5 | 3,958.0 |
| 7 | কাগজ আৰু পেপাৰ ব'ৰ্ড (হাজাৰ টন হিচাপত) | 116 | 755 | 3,913 | 4,389: |
| 8 | বাণিজ্যিক যান-বাহন (হাজাৰখন হিচাপত) | 8.6 | 41.2 | 391.0 | 910.2: |


**উৎস ঃ** Datt and Sundharam's Indian Economy, 2016. * ২০১৪-১৫ বৰ্ষৰ।

ওপৰৰ তালিকা 7.1 ৰ পৰা এই কথা সহজে বুজা যায় যে বিভিন্ন ধৰণৰ উদ্যোগত উৎপাদনৰ পৰিমাণ যথেষ্ট বৃদ্ধি পাইছে। 1950–51 চনত দেশত মাত্ৰ 9 নিযুত টন সাৰ উৎপাদন হোৱাৰ বিপৰীতে 2013–14ত এইপৰিমাণ 16,902 নিযুত টনলৈ বৃদ্ধি পায়। বিদ্যুৎ, কাপোৰ, এলুমিনিয়াম, বাণিজ্যিক যান-বাহন, ব্যৱহাৰ কৰিব পৰাকৈ উপযোগী তীখা, চিমেণ্ট, কাগজ আৰু পেপাৰ ব'ৰ্ডৰ উৎপাদনো যথেষ্ট বৃদ্ধি পায়।

২০১৩ চনৰ পৰা২০২৩ চনলৈকে ভাৰতত উৎপাদন খণ্ডত উৎপাদনৰ বাৰ্ষিক বৃদ্ধিৰ হাৰ চিত্ৰ ৭.১ ৰ সহায়ত দেখুওৱা হৈছে।

চিত্ৰ ৭.১ ৰ পৰা দেখা গৈছে যে ২০২০ আৰু ২০২১ বৰ্ষৰ বাহিৰে ভাৰতৰ উৎপাদন খণ্ড গড়ে প্ৰায় ৪ শতাংশ বৃদ্ধি পাইছে। কভিড-১৯ এই খণ্ডত ভয়াৱহ প্ৰভাৱ পৰিছিল, কেৱল ভাৰততে নহয় প্ৰায় পৃথিৱীৰ সকলো দেশতে। ২০২২ চনত এই খণ্ডটোৱে সৰ্বাধিক ১১.৮ শতাংশ বৃদ্ধি লাভ কৰিছিল।মূলতঃ কাৰণ মহামাৰীৰ তৎকালীন পিছৰ বছৰটোত এই খণ্ডত বৃহৎ কাৰ্যকলাপ দেখা গৈছিল। পিছৰ বছৰত অৰ্থাৎ ২০২৩ চনত এই খণ্ডটোৱে ৪.৭% বৃদ্ধিৰ হাৰ ৰেকৰ্ড কৰে।


**চিত্ৰ ৭.১ঃ ২০১৩ চনৰ পৰা২০২৩ চনলৈকে ভাৰতত উৎপাদন খণ্ডত উৎপাদনৰ বাৰ্ষিক বৃদ্ধিৰ হাৰ**




Source: https://www.statista.com/statistics/661391/manufacturing-industry-production-growth-rate-india

**দেশৰ মুঠ ঘৰুৱা উৎপাদন (GDP) ত উদ্যোগ খণ্ডৰ অৰিহণাঃ** দেশৰ মুঠ ঘৰুৱা উৎপাদন (GDP)ত উদ্যোগ খণ্ডৰ অৰিহণা আছিল 1950–51ত 15í। ই ক্ৰমশঃ বৃদ্ধি পাই 1970–71ত 22.3í আৰু তাৰ পাছত 2007–08ত 26.8í হ'গৈ (অৰ্থনৈতিক সমীক্ষা 2007–08]¼ তলৰ তালিকা 7.2 ত ভাৰতৰ ঔদ্যোগিক উৎপাদনৰ সূচী দেখুওৱা হৈছে। ভাৰতৰ অৰ্থনৈতিক সমীক্ষা (২০২২-২৩) অনুসৰি, ভাৰতৰ মুঠ ঘৰুৱা উৎপাদন ৩১ শতাংশ উদ্যোগ খণ্ডৰ অংশ আৰু ইয়াত ১২.১ কোটিৰো অধিক লোকে কৰ্মসংস্থাপন লাভ কৰে। ২০২২-২৩ চনত অৰ্থনীতিৰ তিনিটা খণ্ড আৰু প্ৰধান উপখণ্ডৰ অৱদান চিত্ৰ ৭.২ ত দেখুওৱা হৈছে। দেখা গৈছে যে বিভিন্ন ঔদ্যোগিক উপখণ্ডৰ ভিতৰত উৎপাদনে সৰ্বধিক অৰিহণা যোগায়। আচলতে সমগ্ৰ কৃষি খণ্ডতকৈ (১৫ শতাংশ) উৎপাদনৰ অৱদান (১৮ শতাংশ) অধিক।

**চিত্ৰ ৭.২ ঃ ভাৰতৰ খণ্ডভিত্তিক জিডিপি (২০২২-২৩) (২০১১-১২ চনৰ মূল্যত)**




Source : https://statisticstimes.com/economy/country/india-gdp-sectorwise.php



### অগ্ৰগতিৰ নিৰীক্ষণ

**প্ৰশ্ন ৩ ঃ**শুদ্ধ নে অশুদ্ধ বিচাৰ কৰক।

(ক) পৰিকল্পনাৰ প্ৰথম 20 বছৰত ভাৰতে উপভোক্তাৰ সামগ্ৰী উৎপাদন কৰিবলৈ ৰাজহুৱা খণ্ডত এলানি ক্ষুদ্ৰ উদ্যোগ প্ৰতিষ্ঠা কৰিছিল। (শুদ্ধ/ অশুদ্ধ)

(খ) ভাৰতৰ ঔদ্যোগিক গাঁথনিটো বিস্তৃতভাৱে বৈচিত্ৰ পূৰ্ণ। (শুদ্ধ/অশুদ্ধ)

**প্ৰশ্ন ৪ ঃ** 1980ৰ পৰা 2007লৈকে পৰিকল্পনা অনুসৰি ঔদ্যোগিক উৎপাদনৰ বৃদ্ধিৰ হাৰ উল্লেখ কৰক। (50 টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

## ৭.৫ ভাৰতত ঔদ্যোগিকৰণৰ সমস্যা

এই কথা সঁচা যে স্বাধীনতাৰ পাছৰ পৰা ভাৰতৰ উদ্যোগীকৰণে জাতীয় আয় বৃদ্ধি,

নিয়োগৰ সুযোগ বৃদ্ধিত উল্লেখনীয় অৰিহণা আগ বঢ়াইছে আৰু ইয়াৰ লগে লগে দৰিদ্ৰতা হ্ৰাস কৰাৰ ক্ষেত্ৰত ইতিবাচক প্ৰভাৱ পেলোৱাৰ লগতে দেশৰ জনসাধাৰণৰ স্বাস্থ্য আৰু শিক্ষাৰ ক্ষেত্ৰত উন্নতি সাধন হৈছে। অৱশ্যে, ভাৰতৰ ঔদ্যোগিক বিকাশে কিছুমান জটিল সমস্যাৰ সন্মুখীন নোহোৱাকৈ থকা নাই, যি ইয়াৰ বিকাশৰ গতিত হেঙাৰ হৈ থিয় দিছে। ঔদ্যোগিকৰণৰ ক্ষেত্ৰত ভাৰতত থকা বৰ্তমানৰ কিছুমান সমস্যা তলত উল্লেখ কৰা হ'ল ঃ

**আন্তঃগাঁথনি** (Infrastructure) ঃ দেশে প্ৰাথমিক উদ্যোগৰ এক বিশাল ঔদ্যোগিক ভেটি প্ৰতিষ্ঠা কৰাৰ পাছতো এতিয়াও বিশ্ব অৰ্থনীতিৰ দ্ৰুত বিকাশৰ সৈতে ফেৰ মাৰিব পৰাকৈ এটা ঔদ্যোগিক ভিত্তি প্ৰস্তুত হৈ উঠা নাই। দুৰ্বল আন্তঃগাঁথনিয়ে ভাৰতৰ অৰ্থনীতিক এতিয়াও আগুৰাই যোৱাত বাধা দি ৰাখিছে আৰু বৰ্তমান ভাৰত চৰকাৰে আধুনিক অৰ্থনীতিৰ ৰাজহাড় নিৰ্মাণ কৰিবলৈ দেশীয় বেচৰকাৰী আৰু বিদেশী বিনিয়োগ আকৰ্ষণ কৰি আছে। এই আন্তঃগাঁথনিৰ ভিতৰত আছে দূৰ সংযোগ, বিদ্যুৎ, ইন্ধন আৰু পৰিবহণ।

ভাৰতৰ অৰ্থনীতিৰ বিকাশত দূৰসংযোগে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। কেইবছৰমান আগলৈকে ভাৰতীয় টেলিকম খণ্ড সম্পূৰ্ণৰূপে চৰকাৰী মালিকীস্বত্ব আৰু নিয়ন্ত্ৰণৰ অধীনত আছিল আৰু ইয়াৰ বৈশিষ্ট্য আছিল কম বিনিয়োগ আৰু আওপুৰণি সঁজুলি। শেহতীয়া তথ্য প্ৰযুক্তি সেৱাৰ ব্যৱহাৰৰ জৰিয়তে উন্নত যোগাযোগ সেৱা ক্ৰমান্বয়ে সাধাৰণ হৈ পৰিছে। মোবাইল ফোন আৰু অন্যান্য যোগাযোগ ব্যৱস্থাতো বিদেশী সহযোগিতাক উৎসাহিত কৰা হৈছে। ভাৰতত অনিয়মিত বিদ্যুৎ যোগান আৰু ক্ষতিকাৰক ভল্টেজৰ উঠা-নমাৰ বাবে বিদ্যুতৰ সমস্যা ভয়াৱহ হৈ পৰিছে যাৰ বাবে কোম্পানীসমূহে নিজাববীয়াকৈ বিদ্যুৎ উৎপাদন কৰিবলগীয়া হয়।

ভাৰতৰ উদাৰীকৰণ (Liberalisation) প্ৰচেষ্টাৰ অংশ হিচাপে পৰিবহণ খণ্ডটো বেচৰকাৰী বিনিয়োগৰ বাবে মুকলি কৰি দিয়া হয়। ভাৰতৰ আন্তঃগাঁথনিগত সুবিধাসমূহৰ দ্ৰুত বিকাশৰ বাবে শেহতীয়াকৈ আৰম্ভ কৰা কিছুমান আঁচনিসমূহৰ ভিতৰত গুৰুত্বপূৰ্ণ হ'ল —

- প্ৰধানমন্ত্ৰী গতি শক্তি।
- নগৰ উন্নয়ন মন্ত্ৰালয়ৰ দ্বাৰা স্মাৰ্ট চিটি মিছন পৰ্টেল।
- অটল মিছন ফৰ ৰিজুভেনেচন এণ্ড আৰ্বান ট্ৰেন্সপৰ্মেচন (AMRUT)।
- ছিকিমকে ধৰি উত্তৰ-ন্ধ্ৰুব অঞ্চলৰ সুবিধাৰ বাবে এককালীন ব্যৱস্থা।
- ৰাষ্ট্ৰীয় নগৰ তথ্য ব্যৱস্থা আঁচনি।

**অনুপযুক্ত ৰাজহুৱা খণ্ড** (Inefficient Public Sector) ঃ আমি ইতিমধ্যে লক্ষ্য কৰিছো যে অৰ্থনীতিৰ ঔদ্যোগিক ভেটি নিৰ্মাণ কৰিবলৈ ভাৰতে এটা বিশাল ৰাজহুৱা খণ্ড গঢ়ি তুলিছে। কিন্তু দেশৰ ৰাজহুৱা খণ্ডটো অত্যন্ত সোপাটিলা আৰু অনুপযুক্ত। এনে কিছুমান দৃষ্টান্ত আছে যেতিয়া বিশ্ব বেংকে কিছুমান ৰাজ্যৰ প্কল্পৰ বাবে বিদ্যুৎ ঋণৰ বাবে আবেদন নাকচ কৰিছিল, মূলতঃ তেওঁলোকৰ শাসন ব্যৱস্থাৰ অপব্যৱস্থাপনাৰ বাবে। অত্যন্ত ৰেহাই মূল্যত বিদ্যুতৰ যোগান

দিয়াৰ বাবে আৰু ব্যাপক হাৰত বিদ্যুৎ চুৰি হোৱা বাবে বহুতো বিদ্যুৎ পৰিষদ ইতিমধ্যে দেউলীয়া হৈ গৈছে। ৰাজ্য চৰকাৰসমূহে তেওঁলোকৰ বিদ্যুৎ পৰিষদবিলাকক সঠিকভাৱে কাৰ্যক্ষম কৰি তুলিবলৈ গ্ৰহণ কৰিবলগীয়া সিদ্ধান্ত ৰাজনৈতিক ন্যস্তস্বাৰ্থৰ বাবেই গ্ৰহণ কৰাৰ পৰা বিৰত থাকে।

দেশৰ জটিল আমোলাতন্ত্ৰৰ সৈতে কোম্পানীসমূহে বুজাপৰা কৰিবলগীয়া হোৱাৰ ফলতে সংস্কাৰ সাধনৰ প্ৰক্ৰিয়া বিলম্বিত হয়। উদাহৰণস্বৰূপে, বিদেশী বিনিয়োগকাৰীসকলে Foreign Investment Promotion Boardৰ অনুমতি বিচাৰি হায়ৰান হ'বলগীয়া হয়, অথচ তেওঁলোকৰ আঁচনিবিলাক স্বয়ংক্ৰিয় অনুমোদন প্ৰণালীৰ অন্তৰ্ভুক্ত।

**কৰৰ সমস্যা** (Tax Problems) ঃ ভাৰতৰ কৰ পদ্ধতিটো অত্যন্ত আঁসোৱাহপূৰ্ণ ওপৰত প্ৰতিষ্ঠিত আৰুএক সংকীৰ্ণ ভিত্তিৰ উচ্চ ব্যৱধানযুক্ত কৰৰ নিৰিখক এক বিস্তৃত ভিত্তিযুক্ত মজলীয়া স্তৰৰ কৰৰ নিৰিখলৈ পৰিৱৰ্তিত কৰিব লাগিব। ১৯৯৫ চনৰ বিত্তীয় বাটেত কৰ্পৰেট আয়ৰ ওপৰত কৰ হ্ৰাস কৰা হয় আৰু ইয়াক মূল্য সংযোজিত কৰৰ সৈতে অধিক মিল ৰাখিবলৈ আবকাৰী কৰ এক বৃদৎ সংস্কাৰ ৰূপায়ণ কৰা হয়। প্ৰত্যক্ষ কৰ সংগ্ৰহ অধিক কাৰ্যক্ষম কৰি তুলিবলৈ চৰকাৰে দেশত জি এছ টি (সামগ্ৰী আৰু সেৱা কৰ) ব্যৱস্থা প্ৰৱৰ্তন কৰিছে।

কিন্তু এক অনুপযুক্ত কৰ পদ্ধতিৰ ফলত চৰকাৰৰ উপাৰ্জনো সীমাৱদ্ধ। গ্ৰাম্যাঞ্চলসমূহত কৰ আৰোপ কৰা হোৱা নাই, কিয়নো ভাৰতৰ অধিকাংশ ৰাজ্যত কৃষিজাত উপাৰ্জনৰ ওপৰত কৰ প্ৰয়োগ কৰা হোৱা নাই। ইফালে অতি দক্ষতাৰে আয়কৰ ফাঁকি দিয়া হৈয়ে আছে। সেয়ে, চৰকাৰে আবকাৰী আৰু সীমাশুল্কৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। এয়া হৈছে দেশৰ সৰ্বমুঠ কৰৰ দুই তৃতীয়াংশ।

**অনুপযুক্ত শ্ৰমৰ বজাৰ** ঃ ভাৰতৰ কোম্পানীবিলাকক অধিক প্ৰতিযোগিতামূলক আৰু ইয়াৰ অৰ্থনীতিক অধিক উৎপাদনশীল কৰি তুলিবলৈ শ্ৰমৰ বজাৰখনক স্থিতিস্থাপক কৰি তোলাৰ প্ৰয়োজন আছে। ৰাজনৈতিকভাৱে শক্তিশালী শ্ৰমিক সংগঠনবিলাকে ৰাজহুৱা খণ্ডৰ বৃহৎ উদ্যোগবিলাকৰ গুৰুতৰ সংস্কাৰ আৰু বেচৰকাৰীকৰণৰ ঘোৰ বিৰোধিতা কৰে। ৰাজহুৱাখণ্ডৰ বেংক, বীমা কোম্পানী আৰু বহুতো বৃহৎ উদ্যোগ অনুপযুক্তভাৱেই চলি আছে। ভাৰতৰ শ্ৰম আইনসমূহ দক্ষতা আৰু বিকাশৰ পৰিপন্থী বুলি সমালোচিত হৈছে।

**বিত্তীয় খণ্ড** (Financial Sector) ঃ অৰ্থনৈতিক পৰিৱৰ্তনৰ সৈতে খাপ খুৱাই চলিবলৈ ভাৰতৰ বিত্তীয় খণ্ডটোৱে এতিয়াও প্ৰয়োজনীয় মূলধনৰ ব্যৱস্থা কৰিবলৈ সম্পূৰ্ণৰূপে সক্ষম নহয়। মূলধনৰ ব্যৱস্থা কৰোতে অধিক ব্যয় হোৱাৰ ফলত ভাৰতীয় উদ্যোগ আৰু ৰপ্তানিৰ প্ৰক্ৰিয়া কম প্ৰতিযোগিতামূলক হৈছে। শেহতীয়াকৈ, কেতবোৰ অগ্ৰগতি হৈছে যদিও ভাৰতৰ শ্বেয়াৰ বজাৰখন দেশীয় বা বিদেশী বিনিয়োগকাৰীয়ে আশ্বাসত ল'ব পৰাকৈ সুচল হৈ উঠা নাই। তদুপৰি, ভাৰতৰ বেংক সেৱা ব্যৱস্থাটো আসোঁৱাহপূৰ্ণ হৈয়ে আছে। ব্যৱস্থাটোত আধিপত্য বজাই ৰখা ৰাষ্ট্ৰায়ত্ব বেংকসমূহে এতিয়াও তেওঁলোকৰ সৰ্বমুঠ বিনিয়োগৰ 15íৰ পৰা 25í পৰিমাণৰ অসুবিধাজনক ঋণ বহন কৰি আছে।

**পৰিৱেশ প্ৰদূষণ** (Environmental Pollution) ঃ ভাৰতত পৰিৱেশৰ সমস্যা দ্ৰুতগতিত বৃদ্ধি পাই আছে। ক্ৰমবৰ্ধমান অৰ্থনৈতিক উন্নয়ন আৰু দ্ৰুতগতিত বৃদ্ধি পোৱা জনসংখ্যাই ১৯৪৭ চনত দেশখনক ৩০ কোটি লোকৰ পৰা আজি ১.৩ জনতকৈ অধিকত্ৰলাকলৈ গৈছে, ইয়াৰ ফলত পৰিৱেশ, আন্তঃগাঁথনি আৰু দেশৰ প্ৰাকৃতিক সম্পদৰ ওপৰত হেঁচা পৰিছে। ক্ৰমবৰ্দ্ধমান অৰ্থনৈতিক উন্নয়নৰ বিপৰীতে দ্ৰুতগতিত বাঢ়ি থকা জনসংখ্যাই সম্প্ৰতি দেশখনৰ পৰিৱেশ, আন্তঃগাঁথনি আৰু প্ৰাকৃতিক সম্পদৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাইছে। ঔদ্যোগিক প্ৰদূষণ, ভূমিস্খলন, বনাঞ্চল ধ্বংস, দ্ৰুত ঔদ্যোগিকৰণ, নগৰীকৰণ আৰু মাটিৰ উৰ্বৰতা হ্ৰাস আদি সমস্যাই গুৰুতৰ ৰূপ ধাৰণ কৰিছে। দেশৰ সম্পদৰাজিৰ ওপৰত চলা অত্যধিক লুণ্ঠনে প্ৰাকৃতিক সম্পদ হ্ৰাস কৰি আনিছে। আজি সমগ্ৰ পৃথিৱীতে মানৱজাতিকে ধৰি প্ৰাণীকূলে সন্মুখীন হোৱা আটাইতকৈ ভয়াৱহ সমস্যাবিলাকৰ ভিতৰত পৰিৱেশ প্ৰদূষণ অন্যতম।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন ৫ ঃ**শুদ্ধ নে অশুদ্ধ বিচাৰ কৰক।

(ক) ভাৰতৰ কৰ পদ্ধতিটো অত্যন্ত উপযুক্ত। (শুদ্ধ/অশুদ্ধ)

(খ) ভাৰতীয় ৰপ্তানি প্ৰক্ৰিয়াটো কম প্ৰতিযোগিতামূলক। (শুদ্ধ/অশুদ্ধ)

**প্ৰশ্ন ৬ ঃ** ভাৰতৰ দূৰসংযোগ ব্যৱস্থাটোৰ বিভিন্ন দিশবিলাক আলোচনা কৰক। (50 টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

## ৭.৬ ঔদ্যোগিক নীতিৰ প্ৰস্তাৱ, ১৯৫৬

স্বাধীনতাৰ ঠিক পাছতে ভাৰত চৰকাৰে ঔদ্যোগিক নীতিৰ প্ৰস্তাৱ, 1948 প্ৰৱৰ্তন কৰে। এই প্ৰস্তাৱত দেশৰ ঔদ্যোগিক উপাৰ্জনৰ হাৰ বৃদ্ধি আৰু উন্নয়নৰ লক্ষ্য নিৰ্ধাৰণ কৰা হয়। এই প্ৰস্তাৱত ঔদ্যোগিক উৎপাদনৰ ধাৰাবাহিক বৃদ্ধি আৰু ইয়াৰ সমবিতৰণ নিশ্চিত কৰিবলৈ দেশৰ অৰ্থনীতিক সক্ষম কৰি তোলাৰ ওপৰত গুৰুত্ব দিয়া হয়। সংবিধান আৰু আৰ্থসামাজিক লক্ষ্যৰাজি গ্ৰহণ কৰাৰ পাছত এই ঔদ্যোগিক নীতি 1956 চনত পুনৰীক্ষণ কৰি গ্ৰহণ কৰা হয়। নতুন প্ৰত্যাহ্বানবিলাকৰ সন্মুখীন হ'বলৈ ইয়াক সময়ে সময়ে অৰ্থাৎ 1973, 1977, 1980 আৰু 1991ত সংশোধন কৰা হয়।

ঔদ্যোগিক নীতিৰ প্ৰস্তাৱ (IPR, 1956)ৰ উদ্দেশ্য হৈছে দেশত অৰ্থনীতিক বৃদ্ধিৰ হাৰ

দ্ৰুতগতিত বৃদ্ধি কৰা আৰু ঔদ্যোগিকৰণক ত্বৰান্বিত কৰা, যাতে ভাৰতীয় সমাজখনক এটা সমাজবাদীৰূপ দিব পৰা যায়। এই ঔদ্যোগিক নীতিয়ে ভাৰতীয় উদ্যোগসমূহৰ ভৱিষ্যতৰ দিশ নির্ণয় কৰা বুলি কোৱা হয়। IPR, 1956ত অন্তর্ভুক্ত প্রধান ব্যৱস্থাৱলী হৈছে—

- **উদ্যোগৰ নতুন শ্রেণীবিভাজন** (New Classification of Industries) ঃ IPR, 1956এ দেশৰ উদ্যোগসমূহৰ তিনিটা প্রধান শাখাত শ্রেণীবদ্ধ কৰিছে আৰু তলত দেখুওৱাৰ দৰে তিনিটা সূচীত তালিকাভুক্ত কৰিছে ঃ
  - **অনুসূচী (ক)** ঃ এই তালিকাত কেৱল ৰাজহুৱা খণ্ডৰ বাবে মুকলি থকা 17টা উদ্যোগক অন্তর্ভুক্ত কৰা হৈছিল।এই উদ্যোগবিলাক আছিল— অস্ত্র-শস্ত্র; স্বয়ংক্রিয় ইন্ধন; লো আৰু তীখা; লো আৰু তীখাৰ সাঁচত গঢ়া কার্য (Castings and forgings), লো আৰু তীখা উৎপাদন, খনি আৰু যন্ত্রপাতিৰ আহিলা নির্মাণত আৱশ্যক হোৱা গধুৰ যন্ত্র-পাতি; বৃহৎ বৈদ্যুতিক উদ্যোগ; কয়লা, খনিজ তেল, খনন, অপৰিস্কৃত লো আৰু অন্যান্য খনিজ পদার্থ যেনে তাম, সীহ আৰু দস্তা; আকাশীযান; বিমান পৰিবহণ, ৰে'ল পৰিবহণ, জাহাজ নির্মাণ; টেলিফোন, টেলিগ্রাফ আৰু বেতাঁৰ আহিলা; বিদ্যুৎ উৎপাদন আৰু বিতৰণ।
  - **অনুসূচী (খ)** ঃ এই তালিকাত ৰাজহুৱা খণ্ডই মুখ্য ভূমিকা পালন কৰিবলগীয়া 12টা উদ্যোগক অন্তর্ভুক্ত কৰা হৈছিল। এই উদ্যোগবিলাকৰ ক্ষেত্রত বেচৰকাৰী খণ্ডই পৰিপূৰক ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছিল। এই উদ্যোগবিলাক আছিল ঃ অনুসূচী (ক)ত অন্তর্ভুক্ত নোহোৱা অন্যান্য খনন কার্য; এলুমিনিয়াম আৰু অনুসূচী (ক)ত অন্তর্ভুক্ত নোহোৱা লোৰ বাদে অন্য ধাতৰ উদ্যোগ; যন্ত্র-পাতিৰ আহিলা; লোৰ লগত মিহলোৱা ধাতু আৰু আহিলাত ব্যৱহৃৎ তীখা; ৰসায়ন উদ্যোগ, জীৱাণু নাশক আৰু অন্যান্য ঔষধ; সাৰ; ছিন্থেটিক ৰবৰ, কয়লা প্রস্তুতকৰণ, ৰাসায়নিক শাহ (Pulp); পথ পৰিবহণ; সাগৰীয় পৰিবহণ।
  - **অনূসূচী (গ)** ঃ এই তালিকাত বাকী থকা আন সকলো উদ্যোগ আৰু সিবিলাকৰ উন্নয়ন, সাধাৰণতে বেচৰকাৰী খণ্ডৰ বাবে এৰি দিয়া উদ্যোগসমূহ অন্তর্ভুক্ত কৰা হৈছিল।
- **বেচৰকাৰী খণ্ডৰ প্রতি সমুচিত আৰু বৈষম্যহীন আচৰণ** (Fair and Non-Discriminatory Treatment to Privat Sector) ঃ বেচৰকাৰী খণ্ডৰ ঔদ্যোগিক কার্যকলাপক উৎসাহিত কৰিবলৈ, চৰকাৰে বিভিন্ন ধৰণৰ আন্তঃগাঁথনি; যেনে— পৰিবহণ, বিদ্যুৎ আৰু অন্যান্য পদক্ষেপ গ্রহণ কৰিব লাগে। একেটা উদ্যোগতে বেচৰকাৰী আৰু ৰাজহুৱা দুয়োটা খণ্ডৰ প্রতিষ্ঠান থাকিলে দুয়োটাৰ ক্ষেত্রত চৰকাৰে বৈষম্যহীন আচৰণ নীতি লোৱা হৈছিল।
- **গ্রাম্য আৰু ক্ষুদ্র প্রতিষ্ঠানক সহায় কৰা** (Promotion of village and small-scale enterprises) ঃ গাঁৱলীয়া আৰু ক্ষুদ্র পৰিসৰৰ প্রতিষ্ঠানসমূহক উৎসাহিত কৰিবলৈ চৰকাৰে ইয়াৰ একেধৰণৰ বৃহৎ উদ্যোগসমূহক উৎপাদনৰ পৰিমাণ সীমাবদ্ধ কৰিব লাগিব। আকৌ, ভিন ভিন কৰ পদ্ধতি আৰু প্রত্যক্ষ ৰেহাইৰ ব্যৱস্থা কৰিব লাগে।

- **মাণ্ডলিক বৈষম্য আঁতৰোৱা** (Removal of regional disparities) ঃ IPR, 1956এ দেশৰ অৰ্থনৈতিক বিকাশ সাধনৰ ক্ষেত্ৰত মাণ্ডলিক বৈষম্য দূৰ কৰাৰ ওপৰতো গুৰুত্ব দিছিল। এই প্ৰস্তাৱ অনুসৰি দেশৰ সকলো অঞ্চলতে কৃষি খণ্ডৰ ওপৰত যথোচিত গুৰুত্ব দিব লাগে যাতে দেশৰ সকলো অঞ্চলৰে জনসাধাৰণৰ জীৱন নিৰ্বাহৰ মান উন্নত হয়।

IPR, 1956ৰ উপৰি ভাৰতে কিছুমান উদ্যোগিক নীতিৰ বিৱৰণী ঘোষণা কৰিছে। Industrial Policy Statment, 1977ত বিকেন্দ্ৰীকৰণ আৰু ক্ষুদ্ৰ, অতি ক্ষুদ্ৰ আৰু কুটীৰ উদ্যোগৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। 1980ৰ Industrial Policy Statementত দেশীয় বজাৰ, অনুজ্ঞা-পত্ৰ প্ৰদানৰ নীতিৰ উদাৰীকৰণ, কাৰিকৰী উন্নতি সাধন আৰু আধুনিকীকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন ৭ ঃ**শুদ্ধ নে অশুদ্ধ বিচাৰ কৰক।

(ক) ভাৰতত ঔদ্যোগিক নীতিৰ প্ৰথম প্ৰস্তাৱ গ্ৰহণ কৰা হয় 1956 চনত। (শুদ্ধ/অশুদ্ধ)

(খ) 1956ৰ ঔদ্যোগিক নীতিৰ প্ৰস্তাৱত ভাৰতৰ উদ্যোগখণ্ডক পাঁচটা প্ৰধান ভাগত বিভক্ত কৰা হয়। (শুদ্ধ/অশুদ্ধ)

**প্ৰশ্ন ৮ ঃ** IPRৰ অনুসূচী (খ)ত কোনবিলাক উদ্যোগ অন্তৰ্ভুক্ত ? (60 টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....

## ৭.৭ ১৯৯১ চনৰ পূৰ্বৱৰ্তী ঔদ্যোগিক অনুজ্ঞা-পত্ৰ নীতিসমূহ

ভাৰতত 1991 চনৰ পূৰ্বৰ ঔদ্যোগিক অনুজ্ঞা-পত্ৰ নীতিক দুখন প্ৰধান ঔদ্যোগিক আইন/নীতিৰ অধীনত আলোচনা কৰিব পাৰি ঃ (ক) উদ্যোগ (উন্নয়ন আৰু নিয়ন্ত্ৰণ) আইন, 1951 আৰু (খ) ঔদ্যোগিক নীতি, 1980।

- **উদ্যোগ (উন্নয়ন আৰু নিয়ন্ত্ৰণ) আইন, ১৯৫১** (Industries Development & Regulation) Act, 1951) ঃ স্বাধীনতাৰ পৰৱৰ্তী সময়ছোৱাত, Industries (Development & Regulation) Act, 1951 অনুসৰি প্ৰথম ঔদ্যোগিক অনুজ্ঞা-পত্ৰ নীতি গ্ৰহণ কৰা হয়, এই আইন IPR, 1948 অনুসৰি প্ৰস্তুত কৰা হয়। 1951ৰ উদ্যোগ আইনৰ গুৰুত্বপূৰ্ণ ব্যৱস্থাৱলী হৈছে ঃ

- নতুন উদ্যোগ স্থাপন কৰাৰ লগতে আগৰে পৰা থকা উদ্যোগৰ গুৰুত্বপূৰ্ণ সম্প্ৰসাৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা অনুজ্ঞা-পত্ৰ লোৱাটো বাধ্যতামূলক। নতুন উদ্যোগক অনুজ্ঞা-পত্ৰ দিয়াৰ ক্ষেত্ৰত স্থান, উৎপাদনৰ ন্যূনতম পৰিমাণ ইত্যাদি অনুযায়ী চৰ্ত আৰোপ কৰিবলৈ চৰকাৰৰ অধিকাৰ আছে।
- পৰিচালন সম্পৰ্কীয় কাম-কাজ আৰু নীতিৰ প্ৰয়োজনীয় উন্নয়নৰ ক্ষেত্ৰত চৰকাৰে দিয়া পৰামৰ্শ যথোচিতভাৱে প্ৰয়োগ কৰাত কোনো নিৰ্দিষ্ট উদ্যোগ বিফল হ'লে তেনে উদ্যোগৰ নিয়ন্ত্ৰণ আৰু পৰিচালনাৰ দায়িত্ব চৰকাৰে গ্ৰহণ কৰিব পাৰে।
- এই নীতি অনুসৰি ব্যৱহাৰৰ বাবে প্ৰস্তুত হৈ উঠা সামগ্ৰীৰ দামৰ লগতে এইবিলাকৰ পদ্ধতি, উৎপাদনৰ পৰিমাণ আৰু বিতৰণৰ শৃংখলা সন্দৰ্ভত চৰকাৰে পৰামৰ্শ দিব পাৰে।

পাছত ভাৰত চৰকাৰে গঠন কৰি দিয়া কেইখনমান সমিতি (ড$^0$ আৰ কে হাজাৰী সমিতি, সুবিমল দত্ত সমিতি)য়ে ঔদ্যোগিক অনুজ্ঞা-পত্ৰ প্ৰদানৰ প্ৰক্ৰিয়াত থকা কিছুমান বিসংগতি ধৰা পেলায়। প্ৰধান বিসংগতিবিলাক হৈছিল ঃ (ক) মাথো কেইটামান বৃহৎ উদ্যোগ প্ৰতিষ্ঠানে অধিকাংশ মুনাফা হস্তগত কৰিবলৈ সক্ষম হৈছে। (খ) অনুজ্ঞা-পত্ৰ প্ৰদান কৰাৰ পাছত ল'বলগীয়া পৰৱৰ্তী পদক্ষেপ লোৱা হোৱা নাছিল। (গ) কেৱল চাৰিখন ৰাজ্যতহে উদ্যোগ স্থাপনত অগ্ৰাধিকাৰ দিয়া হৈছিল, সেইকেইখন হৈছে মহাৰাষ্ট্ৰ, পশ্চিমবংগ, গুজৰাট আৰু তামিলনাড়ু। কেন্দ্ৰীয় চৰকাৰে প্ৰদান কৰা সকলো অনুজ্ঞা-পত্ৰৰ 62í এইকেইখন ৰাজ্যই হস্তগত কৰিছিল। ইয়াৰ ফলত ভাৰতত মাণ্ডলিক অসমতাৰ সৃষ্টি হৈছে। (ঘ) বাস্তৱতে, ৰাজহুৱা খণ্ডৰ বাবে সংৰক্ষিত উদ্যোগবিলাকো বেচৰকাৰী খণ্ডৰ বাবে মুকলি কৰি দিয়া হৈছিল।

- **১৯৮০ৰ পাছত ঔদ্যোগিক অনুজ্ঞা প্ৰদানৰ উদাৰীকৰণ** (Liberalisation of Industrial Licensing after 1980) ঃ 1980ৰ উদ্যোগ নীতিয়ে বৃহৎ ব্যৱসায় প্ৰতিষ্ঠানৰ সুবিধা হোৱাকৈ অনুজ্ঞা-পত্ৰ প্ৰদানৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পৰিৱৰ্তন সাধন কৰে। MRTP আইন (Monopolies and Restrictive Trade Practices Act) আৰু (FERA (Foreign Exchange Regulation Act)ৰ বহুতো চৰ্ত শিথিল কৰি দিয়া হয়। 1980ৰ উদ্যোগনীতিৰ অন্যান্য বৈশিষ্ট্যবিলাকৰ ভিতৰত আছে ঃ
  - সেইবিলাক উদ্যোগৰ ক্ষেত্ৰত স্বয়ংক্ৰিয় অনুজ্ঞা-পত্ৰ প্ৰদানৰ নীতি প্ৰযোজ্য হ'ব যিবিলাক উদ্যোগে আহৰণ কৰিব বিচৰা স্তৰ চলিত উৎপাদনৰ পৰিমাণৰ কমেও 49í আৰু উদ্যোগৰ আধুনিকীকৰণৰ নীতি গ্ৰহণ কৰাৰ লক্ষ আগত ৰাখে। 1986 চনত চৰকাৰে 23টা উদ্যোগক MRTP আৰু FERAৰ যিকোনো ধৰণৰ অনুমোদনৰ পৰা অনুজ্ঞা-পত্ৰ মুক্ত কৰে, কেন্দ্ৰই চিনাক্ত কৰা ঔদ্যোগিকভাৱে পিছপৰা অঞ্চল-বিলাকত স্থাপিত উদ্যোগবিলাকক চৰকাৰৰ অধীনস্থ উদ্যোগে পাবলগীয়া সা-সুবিধা প্ৰদান কৰে।
  - অনুজ্ঞা-পত্ৰৰ সময়ছোৱাৰ বাবে নিৰ্ধাৰিত উৎপাদনৰ পৰিমাণতকৈ অধিক উৎপাদন নকৰাৰ চৰ্তত ***বিস্তৃত পৰিসৰৰ উদ্যোগ*** বিলাকক অনুজ্ঞা-পত্ৰ দিয়া হয়। ইয়াৰ ফলত

বজাৰৰ চাহিদা অনুসৰি, এলানি ভিন্নধৰণৰ সামগ্ৰীৰ উৎপাদনেৰে উদ্যোগবিলাকে সিহঁতৰ উৎপাদনলৈ ভিন্নতা অনাত সহায়ক হয়।

- MRTP আইনত নির্ধাৰিত কোম্পানীসমূহৰ সম্পত্তিৰ সীমা বৃদ্ধি কৰা হয়।
- অনুজ্ঞা-পত্ৰ বাধ্যতামূলক হোৱা উদ্যোগৰ সংখ্যা 56 টাৰ পৰা 26টালৈ হ্ৰাস কৰা হয়।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন ৯ ঃ** শুদ্ধ নে অশুদ্ধ বিচাৰ কৰক।

(ক) ভাৰতত ঔদ্যোগিক অনুজ্ঞা প্ৰদানৰ নীতিৰ প্ৰথম ভিত্তি আছিল IPR, 1948। (শুদ্ধ/অশুদ্ধ)

(খ) Industries (Development & Regulation) Act, 1951ত ব্যৱহাৰৰ বাবে সাজু সামগ্ৰীৰ দাম, উৎপাদনৰ পৰিমাণ আৰু বিতৰণৰ শৃংখলাৰ ওপৰত চৰকাৰৰ নিয়ন্ত্ৰণৰ ব্যৱস্থা আছে। (শুদ্ধ/অশুদ্ধ)

**প্ৰশ্ন ১০ ঃ** 1980ৰ ঔদ্যোগিক নীতিত কেনেদৰে স্বয়ংক্ৰিয় অনুজ্ঞাৰ নীতি প্ৰযোজ্য হৈছে? (50 টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

## ৭.৮ নতুন ঔদ্যোগিক নীতি, ১৯৯১

চৰকাৰৰ উদাৰীকৰণ আৰু অর্থনৈতিক সংস্কাৰ কার্যক্ৰম অনুসৰি 1991ৰ Industrial Policy Statement প্ৰস্তুত কৰা হয়। এই নীতিৰ লক্ষ্য হৈছে দ্ৰুত আৰু পৰিপূৰক অর্থনৈতিক বিকাশ আৰু বিশ্ব অর্থনীতিৰ সৈতে দেশৰ অর্থনীতিক খাপ খুৱাই আগুৱাই নিয়া। অর্থনৈতিক নীতিৰ সংস্কাৰে ঔদ্যোগিক অনুজ্ঞা-পত্ৰৰ আৱশ্যকতা হ্ৰাস কৰিলে, বিনিয়োগ আৰু সম্প্ৰসাৰণৰ ক্ষেত্ৰত থকা কঠোৰতা আঁতৰ কৰিলে, বিদেশী প্ৰযুক্তি আৰু বিদেশী প্ৰত্যক্ষ বিনিয়োগ লাভ কৰাটো সহজ কৰি তুলিলে। এই নীতিক ভাৰতৰ উদাৰীকৰণ, বেচৰকাৰীকৰণ আৰু গোলকীকৰণ (LPG) নীতি বুলিও জনা যায়। 1991 চনত গ্ৰহণ কৰা ভাৰতৰ নতুন অর্থনৈতিক নীতিৰ এটা গুৰুত্বপূর্ণ অংশ হৈছে 1991ৰ Industrial Policy Statement। 1991ৰ উদ্যোগ নীতিৰ প্ৰধান বিশেষত্ববিলাক হৈছে ঃ

- IPR, 1956ৰ অনুসূচী (ক)ত তালিকাভুক্ত, ৰাজহুৱা খণ্ডৰ বাবে সংৰক্ষিত উদ্যোগৰ সংখ্যা লক্ষণীয়ভাৱে হ্ৰাস কৰা হয়। বেছিভাগ উদ্যোগকে বেচৰকাৰী খণ্ডৰ বাবে মুকলি কৰি দিয়া হয়।

- 1991ত মাত্ৰ 18টা উদ্যোগৰ বাবে অনুজ্ঞা-পত্ৰ বাধ্যতামূলক কৰা হয়। 1993ত অতিৰিক্ত 3টা উদ্যোগক বাধ্যতামূলক অনুজ্ঞা-পত্ৰৰ পৰা ৰেহাই দিয়া হয়। বৰ্তমান কেন্দ্ৰৰ পৰা মাথো কেইবিধমান উদ্যোগেহে আগতীয়াকৈ অনুজ্ঞা-পত্ৰ ল'ব লাগে। অধিকাংশ ক্ষেত্ৰতে কেৱল পৰিৱেশ সম্পৰ্কীয় কাৰণতহে অনুজ্ঞা-পত্ৰৰ আৱশ্যক হয়।
- উদ্যোগীসকলে উদ্যোগ স্থাপনৰ ক্ষেত্ৰত প্ৰদূষণ নিয়ন্ত্ৰণ আৰু পৰিৱেশ সম্পৰ্কীয় কেতবোৰ সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰিবলগীয়া হয়। পৰিৱেশ সুৰক্ষা আইন, 1986ৰ অধীনত জাৰী কৰা এক অধিসূচনা (SO6O (E) dated 27.1.94)ত ভাৰত চৰকাৰৰ পৰিৱেশ মন্ত্ৰালয়ৰ পৰা পৰিৱেশ সম্পৰ্কীয় অনুমোদন ল'বলগীয়া 29বিধ প্ৰকল্প তালিকাভুক্ত কৰা হৈছে। এই তালিকাত অন্তৰ্ভুক্ত উদ্যোগসমূহৰ ভিতৰত আছে পেট্ৰ'কেমিকেল উদ্যোগ, পেট্ৰ'লিয়াম শোধনাগাৰ, চিমেণ্ট, তাপ বিদ্যুৎ প্ৰকল্প, ঔষধৰ বৃহৎ উদ্যোগ, সাৰ, ৰং তৈয়াৰ কৰা কাৰখানা, কাগজ ইত্যাদি। অৱশ্যে যদিহে বিনিয়োগ 500 নিযুত টকাতকৈ কম হয় তেতিয়া এনেধৰণৰ অনুমোদনৰ দৰকাৰ নহয়। কীটনাশক, সৰহীয়া ঔষধ আৰু চিকিৎসা সামগ্ৰী, এজবেষ্টছ আৰু এজবেষ্টছৰ পৰা নিৰ্মাণ কৰা সামগ্ৰী, ৰং তৈয়াৰ কৰা বৃহৎ কাৰখানা, খনন প্ৰকল্প, কেতবোৰ নিৰ্দিষ্ট পৰ্যটন প্ৰকল্প, হিমালয় অঞ্চলৰ গিৰিপথৰ উদ্যোগ, সুৰা প্ৰস্তুত কৰা কাৰখানা, ধাতু সাঁচত গঢ়া কাৰখানা আৰু গিললটিৰ বাচন-বৰ্তন তৈয়াৰ কৰা কাৰখানাক এনেধৰণৰ অনুমোদনৰ আৱশ্যক হয়।
- অৰ্থনীতিৰ উদাৰীকৰণ আৰু গোলকীকৰণৰ উপৰি নতুন উদ্যোগ নীতিৰ আন এটা লক্ষ্য হৈছে অৰ্থনৈতিক উন্নয়নৰ জৰিয়তে দেশৰ বিভিন্ন অঞ্চলৰ অৰ্থনৈতিক বৈষম্য আঁতৰ কৰা, উৎপাদনশীলতাক এটা স্থায়ী বৃদ্ধিৰ দিশত লৈ যোৱাৰ লগতে নিয়োগ সৃষ্টি কৰা আৰু মূলধনী বজাৰৰ বিকাশ সাধন কৰি সৰ্বসাধাৰণ লোকৰ মুনাফাৰ বাবে উৎপাদনমূলক প্ৰতিযোগিতা বৃদ্ধি কৰা।
- দেশৰ পিছপৰা অঞ্চলবিলাকত ঔদ্যোগিকৰণৰ বিস্তাৰৰ বাবে যথোপযুক্ত উদ্‌গণি, প্ৰতিষ্ঠান আৰু আন্তঃগাঁথনি নিৰ্মাণৰ বাবে বিনিয়োগৰ ব্যৱস্থা কৰি সক্ৰিয়ভাৱে সহযোগ কৰা। ৰাজহুৱা খণ্ডৰ ভূমিকা নিৰ্ধাৰণ কৰাৰ সময়ত এই নতুন নীতিয়ে এই কথা নিশ্চিত কৰিছে যে ৰাজহুৱা খণ্ডই বেচৰকাৰীকৰণক উৎসাহতি কৰি ব্যৱসায়িক পদক্ষেপ গ্ৰহণ কৰিছে, নিৰ্বিনিয়োজন (disinvestment) আৰু ৰাজহুৱা খণ্ডৰপুনৰ গঠনৰ পদক্ষেপ গ্ৰহণ কৰিছে।
- এই নীতিৰ আন এটা প্ৰধান উদ্দেশ্য হৈছে বিশ্ব অৰ্থনীতিৰ সৈতে ভাৰতীয় অৰ্থনীতিক সমন্বিত কৰা। ভাৰতৰ আমদানিৰ বাবে যাতে বিদেশী মুদ্ৰাৰ ওচৰত ঋণী হ'ব নালাগে তাৰ ওপৰত গুৰুত্ব দিয়া।
- উদ্যোগ স্থাপন, থলুৱা প্ৰযুক্তিৰ উন্নয়ন, নতুন প্ৰযুক্তিৰ প্ৰয়োগ আৰু মূলধনী বজাৰৰ বিকাশ সাধন কৰা এই নীতিৰ লক্ষ্য। ইয়াৰ লগে লগে বিদেশী বিনিয়োগক স্বাগতম জনোৱাতো এই নীতিৰ অন্যতম উদ্দেশ্য। নতুন প্ৰযুক্তি লৈ অহা, উৎপাদনৰ ভিত্তি সম্প্ৰসাৰিত কৰা

আৰু বৰ্দ্ধিত আমদানিক অনুমোদন জনোৱা এই নীতিৰ লক্ষ্য।

- প্ৰযুক্তিৰ হস্তান্তৰ, বিপণন প্ৰক্ৰিয়া অধিক কাৰ্যক্ষম কৰি তোলা, পৰিচালনাৰ আধুনিক কৌশলবিলাক প্ৰয়োগ কৰা আৰুৰপ্তানিৰনতুন সম্ভাৱনাবিলাক উন্মোচন কৰিবলৈ বিদেশী প্ৰত্যক্ষ বিনিয়োগ Foreign Direct Investment (FDI)ক উৎসাহিত কৰা হয়। মূলধনৰ গতিশীলতাৰ ফলত সৃষ্টি হোৱা ঔদ্যোগিক আৰু অৰ্থনৈতিক সহযোগিতাৰ পৰিৱৰ্তনশীল বিশ্ব পৰিস্থিতিৰ বাবে ই অত্যন্ত আৱশ্যকীয়। অগ্ৰাধিকাৰ ভিত্তিক উদ্যোগবিলাকত বিদেশী বিনিয়োগ আকৰ্ষিত কৰিবলৈ বৃহৎ বিনিয়োগ আৰু উন্নত প্ৰযুক্তিৰ আৱশ্যক। এনেধৰণৰ উদ্যোগত প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ বাবে অনুমোদনৰ ক্ষেত্ৰত 51í পৰ্যন্ত বিদেশী বিনিয়োগৰ অংশত অনুমোদন জনোৱা হয়।
- ভাৰতীয় উদ্যোগত প্ৰত্যাশিত প্ৰযুক্তিগত গতিশীলতা আহৰণ কৰিবলৈ চৰকাৰে নিৰ্ধাৰিত কিছুমান পৰিসৰৰ অধিক অগ্ৰাধিকাৰ ভিত্তিক উদ্যোগক প্ৰযুক্তিগত চুক্তিৰ ক্ষেত্ৰত স্বয়ংক্ৰিয় অনুমোদন আগবঢ়াব। ভাৰতীয় কোম্পানীবিলাকে তেওঁলোকৰ নিজা বাণিজ্যিক বিবেচনা মতে বিদেশী কোম্পানীৰ সৈতে প্ৰযুক্তি হস্তান্তৰৰ বিভিন্ন চর্ত সম্পৰ্কে আলোচনা কৰিব পাৰিব।
- গোলকীয় প্ৰতিযোগিতাত বর্তি থাকিবলৈ চৰকাৰে দেশৰ থলুৱা উদ্যোগবিলাকত গৱেষণা আৰু উন্নয়নমূলক কামত অধিক বিনিয়োগ কৰিব লাগিব। এই প্ৰক্ৰিয়াক সহায় কৰিবলৈ বিদেশী প্ৰযুক্তিবিদ ভাৰা কৰাৰ উপৰি দেশীয়ভাৱে নির্মিত প্ৰযুক্তি বিদেশত প্ৰয়োগ কৰাৰ ক্ষেত্ৰতো কোনো ধৰণৰ আগতীয়া অনুমোদনৰ প্ৰয়োজন নহ'ব।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন ১১ ঃ** শুদ্ধ নে অশুদ্ধ বিচাৰ কৰক।

(ক) 1991ৰ নতুন ঔদ্যোগিক নীতিৰ বিৱৰণক ভাৰতৰ উদাৰীকৰণ, বেচৰকাৰীকৰণ আৰু গোলকীকৰণ নীতি বুলিও জনা যায়। (শুদ্ধ/অশুদ্ধ)

(খ) 1956ৰ নতুন ঔদ্যোগিক নীতিৰ প্ৰবর্তনৰ লগে লগে ভাৰতৰ ৰাজহুৱা খণ্ডই এক শক্তিশালী গতি লাভ কৰে। (শুদ্ধ/অশুদ্ধ)

**প্ৰশ্ন ১২ ঃ** 1991ৰ নতুন ঔদ্যোগিক নীতিৰ বিৱৰণত বিদেশী বিনিয়োগৰ ক্ষেত্ৰত কি ব্যৱস্থাৱলী গ্ৰহণ কৰা হয়? (60 টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....



## ৭.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতে স্বাধীনতাৰ পাছৰে পৰা লক্ষ্যণীয় অৰ্থনৈতিক অগ্ৰগতি সাধন কৰিছে।
- স্বাধীনতাৰ পাছৰ পৰা ভাৰতৰ অৰ্থনৈতিক বিকাশৰ মূল লক্ষ্য হৈছে ঔদ্যোগিকৰণৰ জৰিয়তে আধুনিকীকৰণ।
- বেছিভাগ উদ্যোগ মহাৰাষ্ট্ৰ, পশ্চিমবংগ, গুজৰাট আৰু তামিলনাড়ু ৰাজ্যত অৱস্থিত।
- ঔদ্যোগিক উৎপাদনৰ সূচী 1950–51ত 7.9ৰ পৰা 1999–2000ত 154.7লৈ বৃদ্ধি পায়। শেহতীয়া সময়ছোৱাত ২০১১-১২ বৰ্ষটো ভিত্তিবৰ্ষ (Ô১০০) হিচাপে লৈ ২০১৬-১৭ চনত ঔদ্যোগিক উৎপাদন সূচী ১০৪.৬, ২০১৭-১৮ত ১০৪.৪ ত উপনীত হয় যদিও ২০১৮-১৯ বৰ্ষত সেয়া ১০৩.৮ লৈ হ্ৰাস পাইছে।
- বিভিন্ন ধৰণৰ মূলধনী সামগ্ৰীৰ উদ্যোগ; যেনে— লো আৰু তীখা, সাৰ, ৰাসায়নিক দ্ৰব্য, চিমেণ্ট, লো বহির্ভূত ধাতুৰ কাৰখানা ইত্যাদি স্থাপন কৰা হয়।
- চাহিদা বৃদ্ধি পোৱাৰ লগে লগে উপভোক্তাৰ সামগ্ৰী উৎপাদন কৰা বিভিন্ন উদ্যোগৰ সম্প্ৰসাৰণ ঘটোৱা হয়।
- বৃহৎ উদ্যোগৰ দ্ৰুত সম্প্ৰসাৰণৰ পৰিণতিত ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগবিলাক তুলনামূলকভাৱে অৱহেলিত হয়।
- উপভোক্তাৰ সামগ্ৰীৰ খণ্ডত ক্ষুদ্ৰ উদ্যোগবিলাকক যথোচিত মনোযোগ দিয়া হোৱা নাই অথচ এই উদ্যোগবিলাকেও অৰ্থনীতিৰ বৃদ্ধি আৰু নিয়োগ সৃষ্টিত সহায় কৰে।
- ভাৰতে ইয়াৰ কোম্পানীসমূহক অধিক প্ৰতিযোগিতামূলক কৰি তুলিবলৈ আৰু ইয়াৰ অৰ্থনীতিক অধিক উৎপাদনশীল কৰিবলৈ শ্ৰমৰ বজাৰখনক ব্যাপক হাৰত স্থিতিস্থাপক কৰি তুলিব লাগিব।
- যথোপযুক্ত উদ্‌গণি, প্ৰতিষ্ঠান আৰু আন্তঃগাঁথনিত বিনিয়োগ কৰি দেশৰ পিছপৰা অঞ্চলবিলাকত ঔদ্যোগিকৰণ সম্প্ৰসাৰিত কৰিব লাগিব।
- ভাৰতৰ সৰ্বমুঠ ভূমিৰ প্ৰায় 45í৷ৰ মান অৱনমিত হৈছে আৰু ইয়াৰ প্ৰায় সকলো মহানগৰতে বায়ুৰ প্ৰদূষণ বৃদ্ধি পাইছে।
- একোটা ঔদ্যোগিক প্ৰকল্প স্থাপন কৰিবলৈ উদ্যোগীসকলে প্ৰদূষণ নিয়ন্ত্ৰণ আৰু পাৰিপাৰ্শ্বিকতা সম্পৰ্কীয় কেতবোৰ সতৰ্কতামূলক অনুমোদন ল'ব লাগে।
- ভাৰতৰ ঔদ্যোগিকৰণে কৰ্ম সংস্থানহীনতাৰসমস্যা সমাধান কৰিব পৰা নাই।



## ৭.১০ অধিক জানিবলৈ

**অসমীয়া গ্ৰন্থ ঃ**

1) ড$^{0}$ প্ৰণৱ কুমাৰ ধৰ ঃ *ভাৰতীয় অৰ্থনীতি— ইয়াৰ পৰিৱৰ্দ্ধিত ৰূপ*, কল্যাণী পাব্লিছার্চ।

2) হুদা, বৰুৱা আৰু গোস্বামী ঃ *ভাৰতীয় অৰ্থনীতি (উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনীতিসহ)*, বনলতা,

2004।

**ইংৰাজী গ্ৰন্থ ঃ**

1) Agrawal, A. N. *Indian Economy: Developmental Problems and Policies.* New Delhi: New Age International Publishers.

2) Datt, G and Mahajan, A. *Datt & Sundharam's Indian Economy.* New Delhi: S. Chand & Co.

3) Kapila, U. (*Indian Economy since Independence.* New Delhi: Academic Foundation.

4) Misra, S.K. & Puri, V.K. *Indian Economy.* New Delhi: Himalya Publishing House.

## ৭.১১ অগ্ৰগতিৰ খতিয়ান

**১ নং প্ৰশ্ন উত্তৰ ঃ** (ক) অশুদ্ধ (খ) শুদ্ধ।

**২ নং প্ৰশ্ন উত্তৰ ঃ** আমদানি বিকল্পীকৰণ নীতিয়ে দেশখনক বৈদেশিক মুদ্ৰা সঞ্চয় কৰাত সহায় কৰিছিল। ইয়াৰ ফলস্বৰূপে দেশখনৰ উন্নয়নমূলক প্ৰচেষ্টাসমূহ ফলপ্ৰসূ হৈছিল। দেশীয় ঔদ্যোগিক খণ্ডটোও ইয়াৰ দ্বাৰা উপকৃত হৈছিল।

**৩ নং প্ৰশ্ন উত্তৰ ঃ** (ক) অশুদ্ধ (খ) শুদ্ধ।

**৪ নং প্ৰশ্ন উত্তৰ ঃ** 1980-85ৰ সময়ছোৱাত ঔদ্যোগিক উৎপাদনৰ বাৰ্ষিক হাৰ আছিল 55 শতাংশ। সপ্তম পৰিকল্পনাৰ সময়ছোৱাত (1985-90), ই 8 শতাংশলৈ বৃদ্ধি পায়। পৰৱৰ্তী অষ্টম পৰিকল্পনাত (1992-97) এই হাৰ 7.3 শতাংশলৈ হ্ৰাস পায়। নৱম পৰিকল্পনাৰ সময়ছোৱাত (1997-2002), ই 4.6 শতাংশ বাৰ্ষিক হাৰলৈ অৱনমিত হয়। শেহতীয়া দশম পৰিকল্পনাৰ (2002-2007) সময়ছোৱাত অৱশ্যে এই হাৰ 9.1 শতাংশলৈ বৃদ্ধি পায়।

**৫ নং প্ৰশ্ন উত্তৰ ঃ** (ক) অশুদ্ধ (খ) শুদ্ধ।

**৬ নং প্ৰশ্ন উত্তৰ ঃ** ভাৰতৰ দূৰ সংযোগ খণ্ডটো চৰকাৰী নিয়ন্ত্ৰণৰ পৰা মুক্ত কৰি দিয়া হয়। এই খণ্ডটোৰ উদ্দেশ্য অত্যন্ত উচ্চ। ইয়াৰ কাৰণ হৈছে ভাৰততে টেলিফোন ব্যৱহাৰ কৰা লোকৰ সংখ্যা নিচেই তাকৰ (প্ৰতি 100 জনত মাত্ৰ 1.3জন), যি সময়ত ভাৰততে এই সংখ্যা হৈছে প্ৰতি 100 জনত দহজন। ভাৰতৰ তথ্য প্ৰযুক্তি খণ্ডটোৰ বিকাশৰ ক্ষেত্ৰতো যথেষ্ট সম্ভাৱনীয়তা আছে।

**৭ নং প্ৰশ্ন উত্তৰ ঃ** (ক) অশুদ্ধ (খ) অশুদ্ধ।

**৮ নং প্ৰশ্ন উত্তৰ ঃ** IPR, 1956ৰ অনুসূচী (খ)ত 12বিধ উদ্যোগক অন্তৰ্ভুক্ত কৰা হৈছে যি-বিলাকত ৰাজহুৱা খণ্ডই অগ্ৰণি ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে। বেচৰকাৰী খণ্ডই পৰিপূৰক প্ৰচেষ্টা কৰা হৈছে। বেচৰকাৰী খণ্ডই পৰিপূৰক প্ৰচেষ্টা চলাব বুলি আশা কৰা হৈছে।এই সূচীত অন্তৰ্ভুক্ত গুৰুত্বপূৰ্ণ উদ্যোগ-বিলাকৰ ভিতৰত আছে— কয়লা, ছিন্থেটিক

ৰবৰ, পথ পৰিবহণ, সাগৰীয় পৰিবহণ, জীৱাণু নাশক আৰু অন্যান্য ঔষধ ইত্যাদি।

**৯ নং প্ৰশ্ন উত্তৰ ঃ** (ক) অশুদ্ধ (খ) শুদ্ধ।

**১০ নং প্ৰশ্ন উত্তৰ ঃ** 1980ৰ ঔদ্যোগিক নীতিত সেইবিলাক উদ্যোগক স্বয়ংক্ৰিয় অনুজ্ঞা-পত্ৰৰ ব্যৱস্থা কৰা হৈছিল। যিবিলাকে চলিত উৎপাদনৰ পৰিমাণৰ কমেও 49íৰ এক অৰ্থনৈতিক স্তৰ আহৰণৰ লক্ষ্য স্থিৰ কৰাৰ লগতে উদ্যোগৰ আধুনিকী-কৰণৰ প্ৰক্ৰিয়া গ্ৰহণ কৰাৰ লক্ষ্য স্থিৰ কৰিছিল।

**১১ নং প্ৰশ্ন উত্তৰ ঃ** (ক) শুদ্ধ (খ) অশুদ্ধ

**১২ নং প্ৰশ্ন উত্তৰ ঃ** 1991ৰ NEPত বিদেশী প্ৰত্যক্ষ বিনিয়োগৰ প্ৰবাহক ব্যাপকভাৱে উৎসাহিত কৰা হৈছিল। প্ৰযুক্তিৰ হস্তান্তৰ, বিপণনক দক্ষতাপূৰ্ণ কৰা, পৰিচালনাৰ আধুনিক কৌশল প্ৰয়োগ কৰা আৰু ৰপ্তানি প্ৰক্ৰিয়াক উন্নীত কৰাৰ নতুন সম্ভাৱনীয়বিলাক উদ্ভাৱন কৰাৰ লক্ষ্যৰে এই কাম কৰা হৈছিল। বৃহৎ বিনিয়োগ আৰু উন্নত প্ৰযুক্তিৰ আৱশ্যক হোৱা উদ্যোগসমূহত 51í পৰ্যন্ত FDI অনুমোদন কৰা হৈছিল।



## ৭.১২ আৰ্হি প্ৰশ্ন

**চমু প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ ১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

**১ নং প্ৰশ্ন ঃ** স্বাধীনতাৰ পাছৰ পৰা ভাৰতৰ ঔদ্যোগিক বিকাশৰ বিষয়ে চমুকৈ আলোচনা কৰক।

**২ নং প্ৰশ্ন ঃ** স্বাধীনতাৰ পাছৰ পৰা ভাৰতৰ ঔদ্যোগিক উৎপাদনৰ ধাৰা সম্পৰ্কত এটা চমুটোকা লিখক।

**৩ নং প্ৰশ্ন ঃ** ভাৰতৰ ঔদ্যোগিক বিকাশত আন্তঃগাঁথনিৰ ভূমিকা উল্লেখ কৰক।

**৪ নং প্ৰশ্ন ঃ** ভাৰতৰ ঔদ্যোগিক নীতিৰ প্ৰস্তাৱ, 1956ত তালিকাভুক্ত হোৱা মতে উদ্যোগৰ নতুন শ্ৰেণী বিভাজনৰ ওপৰত এটা চমুটোকা প্ৰস্তুত কৰক।

**ৰচনাধৰ্মী প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

**১ নং প্ৰশ্ন ঃ** 1991ৰ আগতে ভাৰতৰ ঔদ্যোগিক অনুজ্ঞা-পত্ৰ নীতিৰ ব্যৱস্থাৱলী সম্পৰ্কে আলোচনা কৰক।

**২ নং প্ৰশ্ন ঃ** ভাৰতে গ্ৰহণ কৰা 1991ৰ নতুন উদ্যোগীক নীতিৰ প্ৰধান লক্ষ্য আৰু উদ্দেশ্যবিলাক বৰ্ণনা কৰক।

**৩ নং প্ৰশ্ন ঃ** স্বাধীনতাৰ পাছৰ পৰা ভাৰতৰ ঔদ্যোগিক উন্নয়নৰ ধৰণ আৰু নীতি সম্পৰ্কে আপোনাৰ দৃষ্টিভংগী ব্যক্ত কৰক।

**৪ নং প্ৰশ্ন ঃ** স্বাধীনতাৰ পাছৰ পৰা ভাৰতৰ ঔদ্যোগিক উন্নয়ন আৰু ইয়াৰ ধাৰা সম্পৰ্কে আলোচনা কৰক।

*** ***** ***